OFFICE OF THE PRINCIPAL
# লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
# LAKHIMPUR GIRLS' COLLEGE
ডাকঃ খেলমাটি, উত্তৰ লখিমপুৰ, অসম-৭৮৭০৩১ ▫ P.O.-KHELMATI, NORTH LAKHIMPUR, ASSAM-787031
Phone: (03752)232859, Mobile: 9435086064 Website: www.lgcollege.ac.in, E-mail: lgcollege72rediffmail.com

Ref: L70/NOTICE/H.S/1st yr/ADM/2022/44 Date.... 30/06/2022.

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ

## নামভৰ্তিৰ জাননী - ২

যি সকল ছাত্ৰীয়ে বিনামূলীয়া নামভৰ্তি কৰিব বিচাৰে তেওঁলোকে **নামভৰ্তিৰ জাননী তাং 28-06-2022** ত উল্লেখ থকা নথিৰ উপৰিও তলত উল্লেখিত অতিৰিক্ত নথিপত্ৰ সমূহ জমা দিব লাগিব।

**বিনামূলীয়া নামভৰ্তিৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ সমূহঃ**

১) ছাত্ৰীসকলে নিজৰ অভিভাৱকৰ বাৰ্ষিক আয়ৰ প্ৰমাণপত্ৰ (সকলো উৎসৰ) জমা কৰিব লাগিব। কেৱল ৰাজহ চক্ৰ বিষয়াৰ (Circle Officer) দ্বাৰা জাৰী কৰা আয়ৰ প্ৰমাণ পত্ৰহে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, আয়ৰ প্ৰমাণপত্ৰ আবেদন কৰাৰ নথি গ্ৰহণ কৰা নহ'ব। বিনামূলীয়া নামভৰ্তিৰ বাবে যোগ্য বিবেচিত হ'বলৈ অভিভাৱকৰ সৰ্ব্বোচ্চ বাৰ্ষিক আয় ২,০০,০০০.০০ (দুই লাখ) টকাতকৈ কম হ'ব লাগিব।

২) ছাত্ৰীসকলে এটি মূল্যবান গছপুলি ৰোপন কৰাৰ ফটো দাখিল কৰিব লাগিব। (শাকপাচলি, ফুলপুলিৰ ফটো গ্ৰহণযোগ্য নহ'ব)

৩) তেওঁলোকে মহাবিদ্যালয়ত বিনামূলীয়া নামভৰ্তিৰ বাবে দাখিল কৰা নথিপত্ৰৰ প্ৰকৃততাৰ (Genuineness) সমৰ্থনত এখন ঘোষণাপত্ৰত স্বাক্ষ্যৰ কৰাটো বাধ্যতামূলক। যদি দাখিল কৰা কোনো তথ্য ভুৱা প্ৰমাণিত হয় তেওঁলোকৰ নামভৰ্তি বাতিল কৰা হ'ব।

৪) বিনামূলীয়া নামভৰ্তি বাতিল হোৱা ছাত্ৰীয়ে মাচুলসহ নামভৰ্তি কৰিব পাৰিব।

ছাত্ৰীসকলে বিনামূলীয়া নামভৰ্তিৰ বাবে তলত উল্লেখ কৰা মাচুল সমূহ নামভৰ্তিৰ দিনা জমা দিব লাগিব।

- কলা আৰু বিজ্ঞান শাখা
  (Arts & Science Stream) - Rs. 750/-
  (Magazine, Games & Sports and College Week Fees)

30/6/2022
অধ্যক্ষ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
উত্তৰ লক্ষীমপুৰ

Principal
Lakhimpur Girl's College
North Lakhimpur

OFFICE OF THE PRINCIPAL
# লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
# LAKHIMPUR GIRLS' COLLEGE
ডাকঃ খেলমাটি, উত্তৰ লখিমপুৰ, অসম-৭৮৭০৩১ ☐ P.O.-KHELMATI, NORTH LAKHIMPUR, ASSAM-787031
Phone: (03752)232859, Mobile: 9435086064 Website: www.lgcollege.ac.in, E-mail: lgcollege72rediffmail.com

Ref: 170/NOTICE/H.S.1S/gm-2022/42 Date. 28/06/2022

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ

## নামভৰ্তিৰ জাননী

ইয়াৰ দ্বাৰা লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (ক'লা আৰু বিজ্ঞান শাখা) ত নামভৰ্তিৰ বাবে ইতিমধ্যে Darpan Portal ৰ জৰিয়তে আবেদন কৰা ছাত্ৰী সকলৰ জ্ঞাতাৰ্থে জনোৱা হয় যে,

১) নামভৰ্তিৰ বাচনি তালিকা (Selection list) তথা অপেক্ষা তালিকা (Waiting list) মহাবিদ্যালয়ৰ ৱেবচাইট https://lgcollege.ac.in/ ত ২৯ জুন ২০২২ তাৰিখে উপলব্ধ হ'ব।

২) নিৰ্বাচিত ছাত্ৰী সকলে তেওঁলোকৰ বাচনি সম্পৰ্কীয় তথ্য তেওঁলোকে পঞ্জীয়ন কৰা ম'বাইল নম্বৰত SMS ৰ জৰিয়তে লাভ কৰিব।

৩) বাচনি তালিকা (Selection list) ত নাম অন্তৰ্ভুক্ত হোৱা ছাত্ৰীসকলে ২৯ জুন ২০২২ আৰু ৩০ জুন ২০২২ ৰ ভিতৰত তেওঁলোকৰ Darpan Login ID ব্যৱহাৰ কৰি নিজৰ পছন্দৰ যিকোনো এখন শিক্ষানুষ্ঠান নিৰ্বাচন কৰিব লাগিব। প্ৰাৰ্থীসকলে বাচনি কৰা শিক্ষানুষ্ঠানখন এবাৰ নিৰ্বাচন কৰাৰ পাছত কোনো পৰিস্থিতিতে শিক্ষানুষ্ঠানৰ নাম সলনি বা আন এখন শিক্ষানুষ্ঠান নিবাৰ্চন কৰিব নোৱাৰিব।

৪) কলা শাখা (Arts Stream) ত নিৰ্বাচিত ছাত্ৰীসকলে **১ জুলাই ২০২২ তাৰিখে** আৰু বিজ্ঞান শাখাত (Science Stream) নিৰ্বাচিত ছাত্ৰীসকলে **২ জুলাই ২০২২ তাৰিখে** লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত আহি নামভৰ্তি কৰিব লাগিব। অন্যথা তেওঁলোকৰ নামসমূহ তালিকাৰ পৰা বাতিল কৰা হ'ব। ছাত্ৰীসকলে তেওঁলোকে অধ্যয়ন কৰিবলগীয়া বিষয়সমূহ নামভৰ্তিৰ সময়টো সলনি কৰিব পাৰিব।

৫) মহাবিদ্যালয়ৰ ক'লা আৰু বিজ্ঞান শাখাৰ (NCC/Scouts, Sports, Cultural, Wards of Employees of the college) অন্য সংৰক্ষিত আসনৰ বাবে প্ৰাসঙ্গিক (Relevant) নথি-পত্ৰ জমা দিব লাগিব।

৬) বাচনি তালিকাত নাম থকা ছাত্ৰী সকলে নিৰ্ধাৰিত দিনত নামভৰ্তি নকৰিলে খালী হোৱা আসন পুৰাবৰ বাবে অপেক্ষা তালিকা (Waiting List) - ৰ পৰা নামভৰ্তিৰ বাবে বিবেচনা কৰা হ'ব।

৭) ছাত্ৰী সকলে http://dheonlineadmission.amtron.in/sp/ ত Register কৰি এটা Unique ID Generate কৰিব আৰু Unique ID টো নামভৰ্তিৰ দিনা মহাবিদ্যালয়ত জমা দিব লাগিব।

৮) নামভৰ্তিৰ সময়ত Marksheet, Pass Certificate, Admit Card আৰু Caste Certificate (if applicable) ৰ মূল কপি দেখুৱাব লাগিব।

ছাত্ৰীসকলে নামভৰ্তিৰ বাবে তলত উল্লেখ কৰা মাচুল সমূহ ওপৰোক্ত নামভৰ্তিৰ নিৰ্ধাৰিত দিনত জমা দিব লাগিব।

| | | | |
|---|---|---|---|
| ১) | কলা শাখাত (Arts Stream) | - | Rs. 3,920/- |
| ২) | বিজ্ঞান শাখাত (Science Stream) | - | Rs. 4,270/- |

28/6/2022

অধ্যক্ষ
Principal
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
Lakhimpur Girl's College
উত্তৰ লক্ষীমপুৰ
North Lakhimpur